# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-02-2026
**Time :** 1205 Hrs.

oooooooo

১।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আকাশবাণীৰ মন কী বাতত কৃত্ৰিম বুদ্ধিমত্তাৰ সন্মিলনত ভাৰতীয় ষ্টাৰ্ট আপসমূহক ক্ৰটিমুক্ত কৰাৰ আহ্বান।

২।  গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেলৰ পৰা আজিৰে পৰা বাণিজ্যিক উৰণ আৰম্ভ।

৩।  প্ৰৱীণ সাংবাদিক, চিন্তাবিদ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান।

*আৰু*

৪।  টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত আজি ভাৰত, দক্ষিণ আফ্ৰিকাৰ মুখামুখি।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে শেহতীয়াকৈ অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত লাভ কৰা অভিজ্ঞতাৰ বিষয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। তদুপৰি তেওঁ ভাৰতীয় নিৰ্মাতা আৰু ষ্টাৰ্ট আপসমূহক ক্ৰটিমুক্ত কৰি মান অক্ষুন্ন ৰাখিবলৈ আহ্বান জনায়। এয়া আছিল অনুষ্ঠানটোৰ ১৩১ সংখ্যক খণ্ড।

ooooo

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেলৰ পৰা আজিৰে পৰা বাণিজ্যিক উৰণ আৰম্ভ হ'ব। আকাশ এয়াৰৰ এখন বিমান উৰণেৰে টাৰ্মিনেলটোৰ সেৱা মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি ফেচবুক লাইভ যোগে এই কথা ঘোষণা কৰে। ডং শৰ্মাই কয়, যে স্থানীয় মানৱ সম্পদৰ পৰিশ্ৰমেৰে  নিৰ্মিত এই টাৰ্মিনেল ভৱনটোৱে উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ বৰ্ধিত ভূমিকাক প্ৰতিফলিত কৰে। অত্যাধুনিক আৰু যাত্ৰীৰ সা-সুবিধাৰে সু-সজ্জিত নতুন টাৰ্মিনেল ভৱনটোৰ দৃশ্য শ্বেয়াৰ কৰি ডং শৰ্মাই কয়, যে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰক বিমানৰ মেৰামতি, চাৰ্ভিচিং কৰাৰ অৰ্থে এম আৰ অ' কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। বিমান বন্দৰটোত বয়োজ্যেষ্ঠ লোকৰ সুবিধাৰ বাবে এলিভেটেড ৰাক্‌ৱে ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। ৪ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা নতুন টাৰ্মিনেল ভৱনটোৰে বছৰি ১ কোটি ৩০ লাখ যাত্ৰীয়ে আহ-যাহ কৰিব। অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যৰ সমাহাৰেৰে

কপৌফুলৰ আৰ্হিত বাঁহেৰে নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটোৱে বিমান পৰিবহণ কেন্দ্ৰ হিচাপে গুৱাহাটীৰ স্থিতি সৱল কৰি তুলিব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে গুৱাহাটীৰ চানমাৰি-নুনমাটি সংযোগী মহাৰাজ পৃথু উৰণ সেঁতুখন ১০ মাৰ্চত উদ্বোধন কৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদিনাই পুৱাৰ ভাগত ৰাজ্যৰ ৪০ লাখ মহিলাৰ বেংক একাউণ্টত অৰুণোদয় আঁচনিৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। ডিফুৰ উৰণ সেঁতুখন ১১ মাৰ্চত মুকলি কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সিদিনাই বিয়লিৰ ভাগত যোৰহাটত নিৰ্মাণ কৰা উৰণ সেঁতু আৰু যোৰহাট কাৰাগাৰৰ উদ্যনখন উদ্বোধন কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যিক বিজেপিৰ বশিষ্ঠত থকা অটল বিহাৰী বাজপেয়ী ভৱনত অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ প্ৰাক্তন সভাপতি ভূপেন বৰা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক ড০ সঞ্জু বৰাকে ধৰি বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীয়ে আজি বিজেপিত যোগদান কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই নতুনকৈ যোগদান কৰা সকলোকে দললৈ আদৰণি জনায়।

০০০০০০০

প্ৰবীণ সাংবাদিক, চিন্তাবিদ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স হৈছিল ৯৬ বছৰ। তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক হিচাপে অৱসৰগ্ৰহণ কৰা  চক্ৰৱৰ্তীয়ে পৰবৰ্তী সময়ত দৈনিক অসম, দৈনিক জনমভূমি আৰু আজিৰ বাতৰি কাকতকে ধৰি কেইবাখনো কাকতৰ সম্পাদনা কৰিছিল। ৰাজ্যত সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁক ২০১৯ চনৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত সাংবাদিকতা বঁটাৰে সন্মানিত কৰা হৈছিল।

০০০০০০০

২০২৫-২৬ বৰ্ষৰ চৰচ মেলা আজিৰ পৰা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।  এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০ৰো অধিক বিপণীয়ে অংশ ল'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, ত্ৰিপুৰা, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প  আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হ'ব। কাইলৈৰ পৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।  চৰচ মেলাই ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ সুচল কৰিব বুলি আশা কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

০০০০০

অসম চৰকাৰৰ শিক্ষা , ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী উন্নয়ন বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিৰ দিপা মধ্য ইংৰাজী বিদ্যালয়ত এটি নৱনিৰ্মিত শ্ৰেণীকোঠা উদ্বোধন কৰে। ১৫ লাখ টকা ব্যয় সাপেক্ষ এই শ্ৰেণী কোঠা নিৰ্মাণ কৰা হয়।

মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধীনত মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰে নিৰ্মাণ সম্পূৰ্ণ কৰা এই আন্তঃগাঁথনিয়ে বিদ্যালয়খনিৰ শৈক্ষিক পৰিবেশ অধিক সুদৃঢ় কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক উন্নত শিক্ষণ পৰিৱেশ নিশ্চিত কৰিব বুলি মন্ত্ৰী ডাঃ পেগুৱে আশাপ্ৰকাশ কৰে।

০০০০০

পবিত্ৰ বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আজি গুৱাহাটীৰ খানাপাৰাত শুভাৰম্ভ কৰা হ'ব। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত খানাপাৰাত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পৰ শুভাৰম্ভ কৰিব। অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, ব্ৰিটিছ সংগ্ৰহালয়ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়া শাখাৰ প্ৰাক্তন মুৰববী টি ৰিচাৰ্ড ব্লাৰ্টন আৰু প্ৰকল্প নিৰ্মাণৰ দায়িত্বত থকা সংস্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকিব।

০০০০০

ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়নৰ দিশত আন গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৮২ খন নতুন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ শুভাৰম্ভ কৰা হ'ব। ২৯ কোটি টকা ব্যয় সাপেক্ষে আৰম্ভ কৰিবলগীয়া এই সেৱা আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাল প্ৰেক্ষাগৃহত বিয়লি ৩ বজাত স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে শুভাৰম্ভ কৰিব। এই নৱসংযোজনৰ জৰিয়তে ৪২খন অত্যাধুনিক জীৱনদায়িনী এম্বুলেন্স আৰু ৪০খন অত্যাৱশ্যকীয় জীৱনদায়িনী এম্বুলেন্সৰ সেৱা আৰম্ভ কৰা হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সূত্ৰই প্ৰকাশ কৰা মতে এতিয়ালৈ কমেও ৭১ লাখ লোকক ১০৮ এম্বুলেন্স সেৱা আগবঢ়োৱা হৈছে।

০০০০০

বাংলাদেশত তাৰিক ৰহমানৰ নেতৃত্বত নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত দেশখনৰ সৈতে ভাৰতৰ সম্পৰ্ক পুনৰ উন্নত হোৱাৰ দিশত আগবাঢ়িছে। বাংলাদেশে ভাৰতৰ ভিছা সেৱা আৰম্ভ কৰাৰ পাছত ত্ৰিপুৰাৰ আগৰতলাৰ পৰা ঢাকাহৈ কলকাতাক সংযোগ কৰা ৰয়েল মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় বাছসেৱা কালি পৰীক্ষামূলকভাৱে আৰম্ভ কৰা হয়। এই বাছ সেৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে, বাংলাদেশত ছাত্ৰ আন্দোলনৰ ফলত তদানীত্বন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই ভাৰতত আশ্ৰয় গ্ৰহণ আৰু ইয়াৰ পাছত দেশখনত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে এই বাছসেৱা স্থগিত ৰখা হৈছিল। আন্তঃৰাষ্ট্ৰীয় বাছ সেৱা অপাৰেটৰৰ প্ৰবন্ধক মনোৰঞ্জন দেৱনাথ প্ৰকাশ কৰা মতে, দুয়োখন দেশৰ মাজৰ বাছসেৱা বিষয়ক চুক্তি বাতিল নকৰাৰ পৰিপ্ৰেক্ষিতত মৈত্ৰী বাছসেৱা আৰম্ভ কৰাৰ বাবে পুনৰ অনুমতি লোৱাৰ প্ৰয়োজন নাই। ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহাই বাছ সেৱা পুনৰ আৰম্ভ কৰাৰ বাবে লোৱা পদক্ষেপৰ প্ৰতি আদৰণি জনাইছে। তেওঁ কয়, যে বাংলাদেশত নিৰ্বাচিত চৰকাৰ গঠন হোৱাৰ পাছত এতিয়া অনিশ্চিয়তা আঁতৰিছে। দ্বিপাক্ষিক সম্পৰ্কৰ বাবে এয়া শুভ সংকেট বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

ৰাজ্য চৰকাৰে পোহৰৰ প্ৰদূষণ নিয়ন্ত্ৰণ আৰু মহাকাশ পৰ্যটনত  উদগনি আৰু নিশাৰ ভাগৰ জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণৰ উদ্দেশ্যে ডাৰ্ক স্কাই উদ্যান স্থাপনৰ পৰিকল্পনা কৰিছে। ডাৰ্ক স্কাই উদ্যান হৈছে কৃত্ৰিম পোহৰ প্ৰদূষণ কম হোৱা বাবে গ্ৰহ-নক্ষত্ৰ পৰ্যবেক্ষণৰ উপযুক্ত পৰিৱেশ থকা এক প্ৰকাৰৰ উদ্যান। বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ বিষয়াসকলে প্ৰকাশ কৰা মতে, অসমে এই সন্দৰ্ভত নীতিগতভাৱে কেবিনেটৰ অনুমোদন লাভ কৰিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৮টা সম্ভাব্য স্থানত বৈজ্ঞানিক মূল্যায়নো সম্পন্ন কৰা হৈছে। কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যান তথা ডিমা হাচাওত এনে উদ্যান স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে।

ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সচিব পল্লৱ ঝাই প্ৰকাশ কৰা মতে পৰৱৰ্তী পৰ্যায়ত স্থানসমূহৰ পুংখানুপুংখ মূল্যায়ন, প্ৰতিষ্ঠানগত সহযোগিতা আৰু প্ৰমাণ-পত্ৰৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতিৰ বিষয়সমূহ চালি-জাৰি চোৱা হ'ব।

০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে লীগ পৰ্যায়ত চাৰিওখন খেলৰ আটাইকেইখনতে জয় লাভ কৰি নিজৰ গ্ৰুপৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। ভাৰতে লীগ পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক পৰাস্ত কৰাৰ পাছত নামিবিয়াক  ৯৩ ৰানত পৰাস্ত কৰে। একেদৰে ভাৰতে গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত পাকিস্তানক ৬১ ৰানত আৰু অন্তিমখন খেলত নেডাৰলেণ্ডছক ১৭ ৰানত পৰাস্ত কৰে।

ইয়াৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে জয়েৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰে। দলটোৱে দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে ছুপাৰ অভাৰত বিজয় সাব্যস্ত কৰে।

০০০০০

**সমাপ্ত**